জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮৫২/২০২০

<u>ব্ৰহ্মপুত্ৰ মুকুতা নামৰ জাহাজ পৰ্যটকৰ বাবে মুকলি কৰিলে মুখ্যমন্ত্ৰীয়ে</u>

# ব্ৰহ্মপুত্ৰ নদীৰ বিশালতা, মহানতা আমাৰ জাতীয় জীৱনৰ বাবে অনুপ্ৰেৰণাৰ উৎস ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৪ ডিচেম্বৰ ঃ** নদী পৰ্যটনৰ অংশ হিচাপে এ বি চি ডি এক্সপ্ল'ৰেচন কোম্পানীৰ দ্বাৰা নিৰ্মাণ কৰি উলিওৱা ব্ৰহ্মপুত্ৰ মুকুতা নামৰ জাহাজখন আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড়ৰ বগীবিল দলঙৰ সমীপত পৰ্যটকৰ বাবে আনুষ্ঠানিকভাৱে মুকলি কৰে। উল্লেখ্য যে ধীৰাজ বিকাশ গগৈ আৰু উদয় শংকৰ মহন্তে ডেৰ বছৰীয়া প্ৰয়াসৰ জৰিয়তে এই জাহাজখন নিৰ্মাণ কৰি উলিয়াইছে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এই জাহাৰখনৰ জৰিয়তে ব্ৰহ্মপুত্ৰৰ সম্ভাৱনাক উজ্জীৱিত কৰাৰ বাবে যি বাস্তৱসন্মত পদক্ষেপ লোৱা হ'ল, সেয়া পৰ্যটন ক্ষেত্ৰৰ বাবে সুখৰৰ। তেওঁ কয় যে ব্ৰহ্মপুত্ৰ নদীৰ বিশালতা, মহানতা আমাৰ জাতীয় জীৱনৰ বাবে অনুপ্ৰেৰণাৰ উৎস। ব্ৰহ্মপুত্ৰ হ'ল অসমীয়া সভ্যতা, সংস্কৃতি আৰু অৰ্থনীতিৰ ৰাজহাড় স্বৰূপ। এই নদীৰ অনুপ্ৰেৰণা লৈ আমাৰ অৰ্থনৈতিক বুনিয়াদ শক্তিশালী ৰূপত গঢ় দিব পাৰো। মানৱ সমাজক সুন্দৰ ৰূপত গঢ় দিয়াৰ দিশত ব্ৰহ্মপুত্ৰ নদীৰ বিশেষ অৱদান আছে। আমাৰ যি সেউজীয়া বাতাবৰণ আৰু জলবায়ু সেয়া অটুট ৰখাৰ ক্ষেত্ৰত ব্ৰহ্মপুত্ৰ নৈৰ বিশেষ ভূমিকা আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয় যে আমি ব্ৰহ্মপুত্ৰ নৈৰ সৈতে সহাৱস্থান কৰাৰ মানসিকতা গঢ়ি তুলিব লাগিব। নৈখনক মৰ্যাদা প্ৰদান কৰিব লাগিব। ব্ৰহ্মপুত্ৰ নৈখনক সদ ব্যৱহাৰ কৰি পৰ্যটনৰ বিকাশৰ দিশত ব্ৰহ্মপুত্ৰ মুকুতাই বিশেষ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হ'ব বুলিও মুখ্যমন্ত্ৰী আশা প্ৰকাশ কৰে। ইয়াক সন্নিবিষ্ট সুবিধাসমূহে পৰ্যটকক আকৰ্ষিত কৰিব পাৰিব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে ৮৯১ কিলোমিটাৰ দৈৰ্ঘৰ ব্ৰহ্মপুত্ৰ নৈখন ইমানদিনে অব্যৱহৃত হৈ আছিল। ব্ৰহ্মপুত্ৰ নৈ অতিসুন্দৰ। বাৰিষা আৰু খৰালিৰ সময়ছোৱাত সুন্দৰ বাতাবৰণৰ সৃষ্টি কৰে। সেই দৃশ্যপট বিশ্বৰ বুকুত উপস্থাপন কৰাৰ বাবে প্ৰয়াস কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে ব্ৰহ্মপুত্ৰ মুকুতাই অৰ্থনৈতিক বুনিয়াদ শক্তিশালী কৰাৰ লগতে স্বাৱলম্বিতা অৰ্জনৰ ক্ষেত্ৰত সহায় কৰিব। আনহাতে ব্ৰহ্মপুত্ৰৰ সৌন্দৰ্য সম্পৰ্কে বিশ্বক অৱগত কৰাৰ সুযোগ প্ৰদান কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। দেশী-বিদেশী পৰ্যটকক আকৰ্ষণ কৰি উত্তৰ-দক্ষিণপাৰৰ বাৰেবৰণীয়া কৃষ্টি-সংস্কৃতিৰ সাৰুৱা পথাৰ আৰু জৈৱ-বৈচিত্ৰৰ সম্ভাৰ সম্পৰ্কে সকলোকে অৱগত কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই অনুষ্ঠানত সাংসদ প্ৰদান বৰুৱা, ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকা প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

উল্লেখ্য যে এই জাহাজখনে বগীবিলৰ পৰা ডিব্ৰু-ছৈখোৱা আৰু বগীবিলৰ পৰা শিৱসাগৰ, মাজুলী, কাজিৰঙা, ওৰাং হৈ গুৱাহাটীলৈ যাত্ৰা কৰিব।

**সুঃমিঃক / পুঃডেঃ**
**২৪/১২/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in